**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। বিকশিত ভাৰত যুৱ আলোচনা দেশৰ যুৱ প্ৰজন্মক ৰাষ্ট্ৰৰ বিকাশ যাত্ৰাত অন্তৰ্ভুক্ত কৰাৰ এটা অনন্য উদ্যম বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে কাইলৈ কাশ্মীৰত সোণমাৰ্গ সুৰংগ প্ৰকল্প মুকলি কৰিব।

৩। বিজেপিয়ে দিল্লীৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ২৯ গৰাকী প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ্‌ এঞ্জেলছত লগা বনজুই ন ন এলেকালৈ বিয়পি পৰিছে।

*আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে।

ooooo

বিকশিত ভাৰত যুৱ আলোচনা দেশৰ যুৱ প্ৰজন্মক ৰাষ্ট্ৰৰ বিকাশ যাত্ৰাত অন্তৰ্ভুক্ত কৰাৰ এটা অনন্য উদ্যম বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা খড়ছেই ৰাষ্ট্ৰীয় যুৱ উৎসৱ ২০২৫ আৰু বিকশিত ভাৰত যুৱ নেতা আলোচনা সন্দৰ্ভত লিখা এখন পত্ৰ বিনিময় কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কয়, যে বিকশিত ভাৰতৰ সপোন বাস্তবায়িত কৰাৰ বাবে যুৱক-যুৱতীসকলৰ শক্তি, সৃজনশীলতা আৰু নেতৃত্বক দিশ প্ৰদান কৰাই এই আলোচনাৰ মূল উদ্দেশ্য। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত বিকশিত ভাৰত যুৱ নেতা আলোচনাত ভাগ ল'ব। তেওঁ এই আলোচনাত তিনি হাজাৰ যুৱ নেতাৰ সৈতে মত বিনিময় কৰিব। এই অনুষ্ঠানত যুৱ নেতাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত দৃষ্টিভংগী সন্দৰ্ভত উপস্থাপন দিব। এই যুৱ নেতাসকলক বিকশিত ভাৰত প্ৰত্যাহ্বানৰ মাজেৰে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বাচনি কৰা হৈছে। এই উপলক্ষে শ্ৰী মোদীয়ে এটা জনসমাৱেশক উদ্দেশি ভাষণো দিব। প্ৰধানমন্ত্ৰীয়ে লগতে আলোচনাত অংশগ্ৰহণকাৰীসকলে ১০ টা বিষয়ত লিখা শ্ৰেষ্ঠ ৰচনাৰ এটা সংকলনো উন্মোচন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ কাশ্মীৰত সোণমাৰ্গ সুৰংগ প্ৰকল্প মুকলি কৰিব। এই সুৰংগই শ্ৰীনগৰ আৰু সোণমাৰ্গৰ মাজৰ লেহৰ পথছোৱাত সকলো সময়ৰ বতৰৰ বাবে উপযোগী কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে সুৰংগৰ কামত জড়িত শ্ৰমিকসকলক সাক্ষাৎ কৰিব। প্ৰায় ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ সোণমাৰ্গ সুৰংগ নিৰ্মাণৰ বাবে দুহেজাৰ সাতশ কোটিতকৈ অধিক টকা ব্যয় হৈছে। এই প্ৰকল্পত সোণমাৰ্গ মুখ্য প্ৰকল্প,

এটা প্রস্থান সুৰংগক সামৰি লোৱা হৈছে। এই সুৰংগই লাডাখলৈ যোৱাৰ পথত ভূমিস্খলন হিমপ্ৰবাহৰ সম্ভাৱনা থকা স্থানসমূহত যাতে কোনো অসুবিধা নহয় সেইটো সুনিশ্চিত কৰিব। এই প্ৰকল্পই সোণমাৰ্গলৈ গোটেই বছৰ অহা-যোৱা কৰাৰ সুবিধা প্ৰদান কৰি পৰ্যটনক উদগনি যোগাব। ইয়াৰ ফলত শীতকালিন পৰ্যটন, দুঃসাহসিক ক্ৰীড়াৰ লগতে স্থানীয় লোকৰ জীৱন-ধাৰণৰ মানো বৃদ্ধি পাব। ২০২৮ চনত জোজিলা সুৰংগ নিৰ্মাণ সম্পূৰ্ণ হ'লে পথছোৱাৰ দৈৰ্ঘ্য ৪৯ কিলোমিটাৰৰ পৰা ৪৩ কিলোমিটাৰলৈ হ্ৰাস পাব। ফলত এই পথছোৱাত বাহনৰ গতিবেগ প্ৰতিঘণ্টাত ৩০ৰ পৰা ৭০ কিলোমিটাৰলৈ বৃদ্ধি পাব। যাতায়াতৰ সুব্যৱস্থাই প্ৰতিৰক্ষা বিভাগৰ ৰচদপাতিৰ পৰিবহন, অৰ্থনৈতিক বিকাশৰ লগতে জম্মু-কাশ্মীৰৰ লাডাখৰ আৰ্থসামাজিক সংহতিৰ প্ৰসাৰত সহায় কৰিব।

ooooo

২০৪৭ চনৰ ভিতৰত ভাৰতৰ ভৱিষ্যত গঢ় দিয়াৰ বাবে আন্তঃগাঁথনি, উৎপাদনশীলতা, আইনৰ সংস্কাৰ আৰু সৰ্বাত্মক বিকাশে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। পুনেৰ গোখলে অৰ্থনৈতিক প্ৰতিষ্ঠানত আয়োজিত পুনে ৰাজহুৱা নীতি উৎসৱত ভাগ লৈ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি এইদৰে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বিকশিত ভাৰতৰ চাৰিটা স্তম্ভৰ বিষয়ে আলোকপাত কৰাৰ লগতে দূৰ সংযোগ খণ্ডৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা পদক্ষেপৰ কথাও উল্লেখ কৰে। এই দুদিনীয়া উৎসৱত বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞৰ লগতে উদ্যোগী, ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন পেছাৰ সৈতে জড়িত লোকে অংশগ্ৰহণ কৰিছে।

ooooo

বিজেপিয়ে দিল্লীৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ২৯ গৰাকী প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছে। দলৰ প্ৰাক্তন বিধায়ক কপিল মিশ্ৰাক মোটিনগৰৰ পৰা আৰু আম আদমী পাৰ্টী ত্যাগ কৰি অলপতে বিজেপিত যোগদান কৰা প্ৰিয়ংকা গৌতমক কোণ্ডলী সমষ্টিৰ পৰা দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। ইয়াৰ পূৰ্বে দলে ২৯ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। বিজেপিয়ে বৰ্তমানলৈকে ৭০ জনীয়া দিল্লী বিধানসভাৰ ৫৮ খন আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

ooooo

আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে নতুন দিল্লী বিধানসভা সমষ্টিত ভোটাৰ তালিকাক লৈ উঠা অনিয়মৰ অভিযোগ সন্দৰ্ভত মুখ্য নিৰ্বাচন আয়ুক্তলৈ পত্ৰ লিখিছে। পত্ৰখনত শ্ৰী কেজৰিৱালে নতুন দিল্লী বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীগৰাকী ভুৱা পৰিচয়পত্ৰ প্ৰস্তুত কৰাৰ ঘটনাত জড়িত বুলি অভিযোগ তুলিছে। তেওঁ এই সন্দৰ্ভত এখন এজাহাৰ ৰুজু কৰিবলৈ আৰু বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্বাচন আয়োগৰ প্ৰতি আহ্বান জনাইছে।

ooooo

ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰ্মন ছনমুগৰত্নম ৫ দিনীয়া ভ্ৰমণসূচীৰে ১৪ জানুৱাৰীত ভাৰতলৈ আহিব। এয়া হ'ব বিগত ১০ বছৰত ছিংগাপুৰৰ কোনো ৰাষ্ট্ৰপতিৰ প্ৰথম আনুষ্ঠানিক ভাৰত ভ্ৰমণ। অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ এই আসন্ন ভ্ৰমণ ভাৰত আৰু ছিংগাপুৰৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৬০ সংখ্যক বাৰ্ষিকীৰ সাক্ষী হ'ব। ভ্ৰমণকালত শ্ৰী ছনমুগৰত্নমে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলছত লগা বন জুই অঞ্চলটোৰ ইটন, HURST, কেনেথ আৰু পালিছেডছৰ প্ৰায় ৩৮ হাজাৰ ২৭৬ একৰলৈ বিয়পি পৰিছে। অৱশ্যে আন দুটা স্থানত লগা বনজুই নিয়ন্ত্ৰণ কৰা হৈছে। এই বনজুইৰ ফলত এতিয়ালৈ কমেও ১১ জন লোকৰ মৃত্যু হৈছে আৰু ১৩ জন সন্ধানহীন হৈ আছে। ১২ হাজাৰতৈক অধিক বাসগৃহ আৰু আন আন সম্পত্তি এই জুইত জাহ গৈছে। পূব দিশলৈ আগবঢ়া পালিছেডছৰ বনজুৱে আন অঞ্চললৈ ভাবুকি কঢ়িয়াই আনিছে। অগ্নি নিৰ্বাপক বাহিনীৰ এগৰাকী জ্যেষ্ঠ বিষয়াই জনোৱা মতে পালিছেডছৰ বনজুইৰ ফলত ২১ হাজাৰ একৰ ভূমি ক্ষতিসাধন হৈছে।

ooooo

নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদন অনুযায়ী দিল্লী সুৰা কেলেংকাৰীৰ বাবে দুহেজাৰ কোটিৰো অধিক টকাৰ ৰাজহ লোকচান হোৱা বুলি বিজেপিয়ে দাবী কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা অনুৰাগ ঠাকুৰে কালি দলৰ মুখ্য কাৰ্যালয়ত আম আদমী পাৰ্টিৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাল এই কেলেংকাৰীৰ আঁৰৰ মূল ব্যক্তি বুলি সংবাদ মাধ্যমৰ আগত অভিযোগ তোলে। দিল্লীৰ খলাবমা পথ, লেতেৰা পানী, বিদ্যুৎৰ বৰ্ধিত মাচুল, আৱৰ্জনাৰ পাহাৰ সদৃশ দম আৰু প্ৰদূষণ সন্দৰ্ভত আম আদমী পাৰ্টীৰ ওচৰত কোনো উত্তৰ নাই বুলি তেওঁ উল্লেখ কৰে।

ইপিনে আম আদমী পাৰ্টীৰ নেত্ৰী প্ৰিয়ংকা কক্কড়ে বিজেপিৰ অভিযোগ খণ্ডন কৰি নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ ফাদিল হোৱা প্ৰতিবেদন ভুৱা বুলি অভিহিত কৰে। তেওঁ কয়, যে এই তথাকথিত কেলেংকাৰীত কেজৰিৱালৰ বিৰুদ্ধে কোনো প্ৰমাণ পোৱ হোৱা নাই।

ooooo

ভাৰত আৰু আয়াৰলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনী ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ১১ বজাত আৰম্ভ হ'ব। ভাৰতীয় মহিলা দল শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে প্ৰথমখন খেলত ৬ উইকেটত জয়লাভ কৰিছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল ১৫ জানুৱাৰীত অনুষ্ঠিত হ'ব।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বিচিচিআইয়ে ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। সেই অনুসাৰে সূৰ্য্য কুমাৰ যাদৱক অধিনায়ক আৰু অক্ষৰ পেটেলক উপ অধিনায়কৰ দায়িত্ব অৰ্পন কৰা হৈছে। মহম্মদ স্বামীৰ এবছৰৰ অধিক কালৰ পাছত ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন কৰিছে। দলৰ বাকী খেলুৱৈসকলৰ ভিতৰত সঞ্জু চেমচন, অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, ৰিংকু সিং, নিতিশ কুমাৰ ৰেড্ডী, হৰষিত ৰাণা, অশদীপ সিং, বৰুণ চক্ৰৱৰ্তী, ৰবি বিষ্ণ'ই, ৱাছিংটন সুন্দৰ, ধ্ৰুৱ জুৰেল আছে। কলকাতাত ২২ জানুৱাৰীত শৃংখলাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

টি-২০ৰ পাছত দুয়োটা দলৰ মাজত তিনিখনীয়া এদিনীয়া শৃংখলাও অনুষ্ঠিত হ'ব। এই শৃংখলাক ১৯ ফেব্ৰুৱাৰীত আৰম্ভ হ'বলগীয়া চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰস্তুতি বুলি গণ্য কৰা হৈছে। বি চি চি আয়ে এদিনীয়া শৃংখলা আৰু চেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাৰ বাবে পাছত দল ঘোষণা কৰিব।

ooooo

মোহন বাগানে জয়ৰ ধাৰা অক্ষুণ্ণ ৰাখি কালি গুৱাহাটীত অনুষ্ঠিত আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত ইষ্ট বেংগলক ১-০ গলত পৰাস্ত কৰে। মোহন বাগানৰ জেমি মেক্‌লাৰেনে বিজয়সূচক গলটো দিয়ে।

ইয়াৰ পূৰ্বে বেংগালুৰুত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত মোহম্মদান স্পোৰ্টছ ক্লাবে বেংগালুৰু এফ চিক ১-০ গলত পৰাভূত কৰে। মিৰ্জালোল কাছিমোফে খেলৰ ৮৮ মিনিটত একমাত্ৰ গলটো দিয়ে।

প্ৰতিযোগিতাত আজি মুম্বাইত হ'বলগীয়া এখন খেলত জামছেদপুৰ এফ চি মুম্বাই চিটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

০০০০০

বছৰৰ প্ৰথম গ্ৰেণ্ড শ্লেম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অ'পেন আজি মেলবৰ্নত আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ভাৰতৰ  ৰোহন বোপন্না, য়ুকি ভাম্ব্ৰি, শ্ৰীৰাম বালাজী আৰু ৰিত্বিক বোলিপল্লীয়ে ভাগ ল'ব। ২৬ জানুৱাৰীত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পৰৱৰ্তী দুই তিনি দিনলৈ ঘন কুঁৱলী পৰিব পাৰে বুলি আগলী বতৰা দিছে। বিভাগটোৱে লগতে আজি তামিলনাডু, পডুচেৰী আৰু কাৰাইকলত বিজুলী-ঢেৰেকনীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত